# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 18-NOV-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*
**------------------**

ooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ আজি ৫৩ সংখ্যক ওপজা দিন। এই উপলক্ষে সমগ্ৰ ৰাজ্যতে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

প্ৰিয় শিল্পীগৰাকীৰ অবৰ্তমানত আজি তেওঁৰ অগণন অনুৰাগীয়ে তেওঁৰ ওপজা দিনটো উদযাপন কৰি তেওঁৰ অস্তিত্বক মূৰ্ত কৰি তুলিছে। সোণাপুৰৰ কমাৰকুছিৰ জুবিন ক্ষেত্ৰত পুৱা ৰক্তদান শিবিৰ, নাম-প্ৰসংগ, নাহৰ পুলি ৰোপণ আৰু বিয়লি ৫ হাজাৰ গচি বন্তি প্ৰজ্বলন কৰা হৈছে। জুবিন ক্ষেত্ৰত ৫০০ আকাশবন্তিও প্ৰজ্বলন কৰা হ'ব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান, ভাওনাকে ধৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব।

আজি বিটিচিৰ মুৰববী হাগ্ৰামা মহিলাৰীয়ে কোকৰাঝাৰ জিলাৰ গৌৰাং নৈৰ পাৰৰ চান্দামাৰীত ৩০ বিঘা ভূমি সামৰি নিৰ্মাণ হ'বলগীয়া জুবিন গাৰ্গ উদ্যানৰ আধাৰশিলা স্থাপন কৰে। ইয়াৰ লগতে গৌৰাং নৈৰ পাৰত বিটিআৰৰ পাঁচখন জিলাৰ প্ৰায় ২৫ হাজাৰ শিল্পী আৰু অনুৰাগীয়ে অসমীয়া আৰু বড়ো ভাষাত মায়াবিনী গীতটি পৰিৱেশন কৰে। জুবিন গাৰ্গক তেওঁৰ এগৰাকী বিশিষ্ট বন্ধু বুলি অভিহিত কৰি হাগ্ৰামা মহিলাৰীয়ে শিল্পীগৰাকীয়ে অধ্যয়ন কৰা তামুলপুৰ আৰু বিজনীৰ হাইস্কুল দুখনক সৰ্বাঙ্গসুন্দৰ কৰি তোলা হ'ব বুলি ঘোষণা কৰে।

**বাইট (হাগ্ৰামা)**

ৰাজ্যৰ ৫৩ খন স্থানত আজি শিল্পীগৰাকীৰ সোঁৱৰণত ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। লণ্ডনৰ পৰা উভতি অহা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খন্তেক সময় আগতে খানাপাৰা খেলপথাৰত আয়োজিত শিবিৰত ৰক্তদান কৰে।

সদৌ অসম ছাত্ৰ সন্থাই আজি বিভিন্ন জিলাত জুবিন গাৰ্গৰ জন্মদিন পালনৰ সৈতে সংগতি ৰাখি শিল্পীগৰাকীৰ মৃত্যুৰ ন্যায় বিচাৰি মানৱ শৃংখল উলিয়ায়। শিল্পীগৰাকীৰ জন্মদিনটোত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত কালি গছপুলি ৰোপণ কৰা হয়। গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰ চৌহদতো আজি নাহৰ পুলি ৰোপণ আৰু শিল্পীগৰাকীৰ মহান সৃষ্টি মায়াবিনী গীতটো প্ৰচাৰ ভাৰতীৰ বিষয়া-কৰ্মচাৰীসকলে পৰিৱেশন কৰে।

কাইলৈ গুৱাহাটীৰ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত ৰাজ্যখনৰ ২০০ৰো অধিক শিল্পী আৰু কলা-কুশলীয়ে জুবিন গাৰ্গৰ কুৰিৰো অধিক গীত পৰিৱেশন কৰিব। এই অনুষ্ঠানৰ আজি আখৰা সম্পূৰ্ণ হয়।

ooooo

কেন্দ্ৰীয় চৰকাৰে জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ তদন্ত চলোৱাৰ বাবে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতাৰ ২০৮ ধাৰাৰ অধীনত যাৱতীয় অনুমোদন লাভ কৰিছে। গৃহ মন্ত্ৰালয়ৰ অনুমতিয়ে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰ সন্দৰ্ভত অসম আৰক্ষীয়ে প্ৰস্তুত কৰা অভিযোগনামা দাখিলৰ পথ প্ৰশস্ত কৰিলে। উল্লেখযোগ্য যে দেশৰ বাহিৰত কোনো অপৰাধ সংঘটিত হ'লে কেন্দ্ৰীয় চৰকাৰে অনুমতি প্ৰদান নকৰালৈকে আদালতে সেই গোচৰৰ অভিযোগনামা গ্ৰহণ নকৰে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ আইনী কাম-কাজ আগবঢ়াই নিবলৈ কেন্দ্ৰীয় চৰকাৰৰ পৰা প্ৰয়োজনীয় অনুমতি লাভ কৰা সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে যে প্ৰাণৰ শিল্পীগৰাকীৰ ৫৩ সংখ্যক জন্মদিনৰ দিনাই গৃহমন্ত্ৰী অমিত শ্বাহে এই অনুমোদন জনাইছে।

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিশেষ তদন্তকাৰী গোটৰ মুৰব্বী তথা অসম আৰক্ষীৰ বিশেষ সঞ্চালকপ্ৰধান মুন্নাপ্ৰসাদ গুপ্তাই কেন্দ্ৰীয় চৰকাৰৰ পৰা লাভ কৰা অনুমোদনৰ বিষয়টো অতি গুৰুত্বপূৰ্ণ বুলি প্ৰকাশ কৰে। শ্ৰীগুপ্তাই লগতে কয়, যে বিদেশত সংঘটিত অপৰাধমূলক ঘটনাত ভাৰতীয় নাগৰিক জড়িত থাকিলে তেনে লোকৰ বিৰুদ্ধে আদালতত গোচৰ চলোৱাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ অনুমোদনৰ প্ৰয়োজন হয়। এই অনুমোদন আইনীভাৱে বাধ্যতামূলক বুলি উল্লেখ কৰি বিশেষ সঞ্চালক প্ৰধানগৰাকী কয়, যে জুবিন গাৰ্গৰ মৃত্যু বিদেশত হোৱা বাবে ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা ২০৮ ধাৰাৰ অধীনত কেন্দ্ৰীয় চৰকাৰে অনুমোদন প্ৰদান কৰিছে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা ১০ ডিচেম্বৰৰ পূৰ্বে আদালতত দাখিল কৰাৰ চেষ্টা চলোৱা হ'ব বুলিও তেওঁ প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে গোচৰ সংক্ৰান্তত এতিয়ালৈ ১৬০ জনৰো অধিক লোকৰ সাক্ষ্য লোৱা হৈছে আৰু ফৰেনচিক গৱেষণা গাৰৰ পৰাও যাৱতীয় প্ৰতিবেদন লাভ কৰিছে।

০০০০০

সোমবাৰে নিৰ্বাচন আয়োগে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়ালৈ ভোটাৰ তালিকাৰ বিশেষ পুনৰীক্ষণৰ বাবে পত্ৰ প্ৰেৰণ কৰাৰ পাছতে আজি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে এখন সংবাদমেল সম্বোধন কৰে। সংবাদমেলত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে কোৱা অনুসৰি ভোটাৰৰ তথ্য ছপা কৰাৰ প্ৰক্ৰিয়া আজি আৰম্ভ হৈছে। এই প্ৰক্ৰিয়া ২১ নৱেম্বৰলৈ চলিব। ২২ নৱেম্বৰৰ পৰা বুথ পৰ্যায়ৰ বিষয়াসকলে ঘৰে ঘৰে গৈ প্ৰতিগৰাকী ভোটাৰৰ তথ্য সংগ্ৰহ কৰিব। ২০২৬ চনৰ ১ জানুৱাৰীত ১৮ বছৰ সম্পূৰ্ণ হোৱা তথা যোগ্য ভোটাৰৰ নাম ভোটাৰ তালিকাত সন্নিবিষ্ট কৰা হ'ব।

০০০০০

সমাপ্ত